# অসম বিধান সভা
## লিখিত প্ৰশ্ন নং- ৩৫৫
## উত্তৰ দিয়া তাৰিখ- ১৫/৭/২০২৬

বিষয়ঃ **সুৰা উৎপাদন সম্পৰ্কে**

বিধায়কৰ নাম: শ্ৰী জাকিৰ হুছেইন সিকদাৰ:

**প্ৰশ্ন**

**মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) অসমত অবৈধ সুৰা উৎপাদন আৰু বিক্ৰী বন্ধ কৰাৰ বাবে চৰকাৰে কি কি ব্যৱস্হা হাতত লৈছে? জনাব।

(খ) যোৱা পাঁচ বছৰত অসমত অবৈধ সুৰাৰ বিৰুদ্ধে চলোৱা অভিযান আৰু গ্ৰেপ্তাৰৰ জিলাভিত্তিক তথ্য দিব।

(গ) অবৈধ সুৰা সেৱনৰ ফলত ২০২১ চনৰ পৰা অসমত মৃত্যু বা অসুস্হ হোৱা লোকৰ তালিকা দিব।

(ঘ) আৱকাৰী বিভাগত মুঠ কিমান পদ খালী আছে? খালী পদসমূহ কেতিয়া পূৰণ কৰিব? জনাব।

(ঙ) যোৱা পাঁচ বছৰত বিভাগটোৱে জৰিমনা আৰু আৱকাৰী শুল্কৰ জৰিয়তে সংগৃহীত ৰাজহৰ বিত্তীয় বৰ্ষ ভিত্তিত তথ্য দিব।

(চ) শিক্ষানুষ্ঠান, ধৰ্মীয়নুষ্ঠান আৰু চিকিৎসালয়ৰ ওচৰত সুৰাৰ দোকান স্হাপন কৰা হৈছে নেকি? এই সমূহ উল্লেখিত স্হানৰ পৰা কিমান দূৰত স্হাপন হ'ব লাগে? যদি আইন উলংঘা হৈছে ইয়াৰ বাবে কি ব্যৱস্হা লোৱা হৈছে? জনাব।

(ছ) নৱপ্ৰজন্মক মাদক দ্ৰব্য আৰু সুৰাৰ আসক্তিৰ পৰা দূৰত ৰাখিবলৈ বিভাগে কি কি সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰিছে? জিলা ভিত্তিত তথ্য দিব।

(জ) অসমৰ কোন জিলাত কিমানখন বৈধ সুৰাৰ দোকান আছে? জিলাভিত্তিক তথ্য দিব।নতুন সুৰাৰ দোকানৰ অনুজ্ঞাপত্ৰ দিয়াৰ কিবা পৰিকল্পনা আছে নেকি?

(ঝ) ভেজাল মদ চিনাক্তকৰণ আৰু নিয়ন্ত্ৰণৰ বাবে বিভাগে কি কি পদক্ষেপ হাতত লৈছে? জনাব।

(ঞ) অসমৰ সীমান্তৱৰ্তী ৰাজ্য আৰু অন্যান্য অঞ্চলসমূহৰ পৰা অবৈধ সুৰা সৰবৰাহ ৰোধ কৰিবলৈ বিভাগে কি কি ব্যৱস্হা গ্ৰহণ কৰিছে জনাব।

**উত্তৰ**

**মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী শ্ৰী অতুল বৰাদেৱে উত্তৰ দিব:**

**(ক)** অসমত অবৈধ সুৰা উৎপাদন আৰু বিক্ৰী বন্ধ কৰাৰ বাবে চলি থকা পদক্ষেপৰ অংশ হিচাবে নটিফিকেচন নং এল জি এল/১৮১/২০১৫/১১, তাৰিখ ২২-০৩-২০১৮ মৰ্মে অসম আৱকাৰী আইন ২০০০ ৰ সংশোধন ঘটাই অবৈধ সুৰাৰ অপৰাধৰ ক্ষেত্ৰত জামিন বিহীন ধাৰা প্ৰয়োগ কৰা হৈছে আৰু এনে অপৰাধৰ বাবে শাস্তিৰ ম্যাদ জৰিমনা সহ নিম্নতম ৬ মাহৰ পৰা ৩ বছৰ পৰ্যন্ত কাৰাদণ্ড ধাৰ্য্য কৰা হৈছে। অসম আৱকাৰী আইন ২০০০ ৰ পুনৰ সংশোধন ঘটাই আৰক্ষী বিভাগক অবৈধ সুৰাৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ অতিৰিক্তভাৱে ক্ষমতা প্ৰদান কৰা হৈছে। তদুপৰি অবৈধ সুৰাৰ চিনাক্তকৰণৰ বাবে সুৰাৰ বটলত টেম্পাৰ ফ্ৰি হাই চিকিউৰিটী হ'ল'গ্ৰাম লগোৱাৰ ব্যৱস্থা আছে। যোৱা ২০ ফেব্ৰুৱাৰী, ২০২২ তাৰিখে হ'ল'গ্ৰাম ব্যৱস্থা প্ৰবৰ্তন কৰা হৈছে। ইয়াৰ উপৰিও আবকাৰী বিভাগে অসমত অবৈধ সুৰা উৎপাদন আৰু বিক্ৰী বন্ধ কৰাৰ যাবে নিয়মিতভাৱে অভিযান চলাই আহিছে।

**(খ)** যোৱা পাঁচ বছৰত অসমত অবৈধ সুৰাৰ বিৰুদ্ধে চলোৱা অভিযানৰ সংখ্যা আৰু গ্ৰেপ্তাৰ কৰা লোকৰ সংখ্যাৰ জিলাভিত্তিক তথ্য পৰিশিষ্ট 'ক' ত সংলগ্ন কৰা হ'ল।

**(গ)** অবৈধ সুৰা সেৱনৰ ফলত ২০২১ চনৰ পৰা অসমত মৃত্যু হোৱা লোকৰ তথ্য বিভাগৰ হাতত নাই।

**(ঘ)** আৱকাৰী বিভাগত মুঠ ১১৬ টা (তৃতীয় আৰু চতুৰ্থ বৰ্গ)ৰ পদ খালী আছে আৰু ১টা প্ৰথম বৰ্গৰ আৰু ৫টা দ্বিতীয় বৰ্গৰ পদ খালী আছে। ৩য় আৰু ৪ৰ্থ বৰ্গৰ খালী পদসমূহৰ ক্ষেত্ৰত State Level Recruitment Commission (SLRC)ৰ আৰু State Level Police Recruitment Board (SLPRB)ৰ যোগেদি নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

আৱকাৰী বিভাগত খালী থকা ১টা প্ৰথম বৰ্গৰ আৰু ৫টা দ্বিতীয় বৰ্গৰ পদৰ ভিতৰত ১টা আৱকাৰী অধীক্ষক আৰু ১টা আৱকাৰী পৰিদৰ্শকৰ পদ পূৰণৰ বাবে অসম লোকসেৱা আয়োগে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। বাকী অন্য ৪টা

আবকাৰী পৰিদৰ্শকৰ খালী পদ অসম লোকসেৱা আয়োগৰ দ্বাৰা অনুস্থিত সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ জৰিয়তে পূৰণ কৰা হ'ব।

**(ঙ)** যোৱা পাঁচ বছৰত বিভাগটোৱে জৰিমনা আৰু আবকাৰী শুল্কৰ জৰিয়তে সংগৃহীত ৰাজহৰ বিত্তীয় বৰ্ষ ভিত্তিক তথ্য পৰিশিষ্ট 'খ' ত সংলগ্ন কৰা হল।

**(চ)** সুৰাৰ দোকানৰ অনুজ্ঞাপত্ৰ সমূহ অসম আবকাৰী বিধি, ২০১৬ ত অৰ্ন্তভুক্ত নীতি-নিৰ্দেশনাৰ ভিত্তিত সকলো নথিপত্ৰ পৰীক্ষা কৰাৰ পিছতহে প্ৰদান কৰা হয়।

অসম আবকাৰী বিধি, ২০১৬ ৰ ২৮৯ নং অনুচ্ছেদ মতে সুৰাৰ দোকান সমূহ শিক্ষানুষ্ঠান, ধৰ্মীয়ানুষ্ঠান আৰু চিকিৎসালয়ৰ পৰা পৌৰ নিগম এলেকাত ৫০ মিটাৰ, পৌৰ সভা আৰু নগৰ সমিতি এলেকাত ১০০ মিটাৰ আৰু গাওঁ পঞ্চায়ত বা আন আন সমতুল্য ক্ষেত্ৰসমূহত ১৫০ মিটাৰ দূৰত্বত স্থাপনৰ নিয়ম আছে।

আইন উলংঘাৰ কোনো অভিযোগ পালে অসম আবকাৰী বিধি ২০১৬ ৰ বিধি নং ২৯৫ অনুসৰি যাৱতীয় অনুসন্ধানৰ জৰিয়তে নিষ্পত্তি কৰা হয়।

**(ছ)** সজাগতা কাৰ্যসূচীৰ বিষয়টো আবকাৰী বিভাগৰ অৰ্ন্তভুক্ত নহয়। তথাপিও অসম আবকাৰী বিধি ২০১৬ অনুসৰি ২১ বছৰৰ তলৰ কোনো লোকক সুৰা বিক্ৰী কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা আছে, আৰু প্ৰতিখন সুৰা বিপণীৰ সন্মুখত ২১ বছৰৰ অনুৰ্ধৰ লোকৰ বাবে সুৰা বিক্ৰী নিষিদ্ধৰ জাননীৰ ফলক লগোৱাটো বাধ্যতামূলক কৰা হৈছে।

**(জ)** অসমত থকা বৈধ সুৰাৰ দোকানৰ জিলাভিত্তিক তথ্য পৰিশিষ্ট 'গ'ত সংলগ্ন কৰা হ'ল।

আবকাৰী বিভাগত অনলাইন নিবিদা প্ৰক্ৰিয়াৰ যোগেদি নতুন সুৰা বিপণীৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰা হয়, এই বিষয়ত চৰকাৰে সময়ে সময়ে জিলা উপায়ুক্ত সমূহৰ পৰা পোৱা প্ৰতিবেদনৰ ভিত্তিত সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে নগৰ অঞ্চলত চলি থকা 'Restaurant' সমূহত আৰু গাওঁ পঞ্চায়তত পৰ্যটন বিভাগৰ অনুমোদিত স্থানত আবেদন অনুযায়ী বাৰ ( IMFL 'ON' ) ৰ অনুজ্ঞাপত্ৰ দিয়াৰ ব্যৱস্থা আছে।

**(ঝ)** ভেজাল মদ চিনাক্তকৰণৰ বাবে আধুনিক ৰসায়নাগাৰত সুৰাৰ গুণাগুণ পৰীক্ষা কৰা হয়। তদুপৰি ভেজাল তথা অবৈধ মদৰ প্ৰচলন নিয়ন্ত্ৰণৰ বাবে মদৰ বটলত

টেম্পাৰ-ফ্ৰী হাই চিকিউৰিটী হ'ল'গ্ৰাম আৰু বাৰ কোড (Temper-free high security Hologram & Bar Code) লগোৱাৰ ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত এই ব্যৱস্থাটোৰ নিৰীক্ষণ কৰাৰ উদ্দেশ্যে ট্ৰেক এণ্ড ট্ৰেচ পদ্ধতি বলৱৎ কৰা হৈছে।

**(ঞ)** অসমৰ সীমান্তৱৰ্তী ৰাজ্য আৰু অন্যান্য অঞ্চলসমূহৰ পৰা অবৈধ সুৰা সৰবৰাহ ৰোধ কৰিবলৈ বিভাগে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে।

- অবৈধ সুৰাৰ সৰবৰাহ ৰোধ কৰিবলৈ আবকাৰী বিভাগে ৰাজ্যৰ সীমান্ত অঞ্চল সমূহত অস্থায়ী Naka Checkingৰ ব্যৱস্থা গ্ৰহণ কৰিছে।
- ইয়াৰ উপৰিও, ডিজিটেল লক ব্যৱস্থাৰ যোগেদি সুৰা পৰিবহণ কৰা বাহনসমূহ ট্ৰেকিং কৰাৰ বাবে বিভাগে সিদ্ধান্ত লৈছে।
- উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য সমূহৰ সুৰাৰ মূল্যৰ ভাৰসাম্যতা ৰক্ষাৰ বাবে মন্ত্ৰী পৰ্যায়ত অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰ লগত আলোচনা মৰ্মে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সুৰাৰ মূল্যৰ তাৰতম্য হ্ৰাস কৰি অবৈধ সুৰা সৰবৰাহ ৰোধ কৰাৰ বাবে এই প্ৰচেষ্টা ফলদায়ক হোৱাৰ আশা কৰা হৈছে।

***

(প্ৰশ্নৰ উত্তৰ স্ংলগ্নসহ অসম বিধান সভাৰ "National e-vidhan Application (NeVA)" প্ৰৰ্টেলত উপলব্ধ)

**পৰিশিষ্ট "ক"**

| Year ( বছৰ ) | District ( জিলা ) | No. of Raids ( অভিযানৰ সংখ্যা ) | No. of person arrested ( গ্ৰেপ্তাৰ কৰা লোকৰ সংখ্যা ) |
|---|---|---|---|
| 2021-2026 | Bajali | 808 | 18 |
| | Baksa | 1162 | 28 |
| | Barpeta | 3357 | 227 |
| | Biswanath | 1722 | 223 |
| | Bongaigaong | 1273 | 485 |
| | Cachar | 1567 | 2228 |
| | Charaideo | 1161 | 268 |
| | Chirang | 1152 | 4 |
| | Darrang | 2139 | 122 |
| | Dhemaji | 1122 | 340 |
| | Dhubri | 1409 | 295 |
| | Dibrugarh | 3571 | 403 |
| | Dima Hasao | 1624 | 5 |
| | Goalpara | 1076 | 479 |
| | Golaghat | 2503 | 332 |
| | Hailakandi | 759 | 134 |
| | Hojai | 2373 | 228 |
| | Jorhat | 3174 | 115 |
| | Karbi Aglong | 3468 | 105 |
| | Kamrup (M) | 3328 | 1057 |
| | Kamrup | 2918 | 297 |
| | Kokrajhar | 1713 | 65 |
| | Lakhimpur | 1668 | 324 |
| | Morigaon | 1056 | 126 |
| | Majuli | 325 | 8 |
| | Nagaon | 2794 | 92 |
| | Nalbari | 1555 | 182 |
| | Sivasagar | 1793 | 596 |
| | Sonitpur | 1856 | 1139 |
| | Sribhumi | 1418 | 565 |
| | South Salmara | 115 | 20 |
| | Tinsukia | 3633 | 460 |
| | Tamulpur | 237 | 3 |
| | Udalguri | 1731 | 192 |
| | West Karbi Anglong | 699 | 0 |
| | Total | 62259 | 11165 |

| পৰিশিষ্ট “খ” | | | |
|---|---|---|---|
| **Collection of Excise Revenue in the last 5 (five) years** | | | |
| Sl. No. | Year | Total Collection of Excise Revenue (in crores) | Compounding fines (in Rs.) |
| 1 | 2021-22 | 1930.67 | 2647800.00 |
| 2 | 2022-23 | 2527.64 | 4529700.00 |
| 3 | 2023-24 | 3138.75 | 6896309.00 |
| 4 | 2024-25 | 3609.45 | 2705770.00 |
| 5 | 2025-26 | 4054.30 | 3284165.00 |

## পৰিশিষ্ট “গ”

## অসমত থকা বৈধ সুৰাৰ দোকানৰ তালিকা

| Sl. No. | District | বিলাতী সুৰাৰ বিপণী (IMFL “OFF” Shop) | দেশীয় সুৰাৰ বিপণী (Country Spirit Shop) | বাৰ (IMFL “ON” Shop) |
|---|---|---|---|---|
| 1 | Bajali | 22 | 9 | 16 |
| 2 | Baksa | 50 | 27 | 5 |
| 3 | Barpeta | 37 | 1 | 15 |
| 4 | Biswanath | 30 | 12 | 31 |
| 5 | Bongaigaong | 44 | 5 | 25 |
| 6 | Cachar | 92 | 52 | 40 |
| 7 | Charaideo | 39 | 55 | 14 |
| 8 | Chirang | 26 | 1 | 41 |
| 9 | Darrang | 38 | 15 | 16 |
| 10 | Dhemaji | 91 | 39 | 36 |
| 11 | Dhubri | 59 | 22 | 13 |
| 12 | Dibrugarh | 154 | 93 | 45 |
| 13 | Dima Hasao | 12 | 2 | 24 |
| 14 | Goalpara | 49 | 12 | 4 |
| 15 | Golaghat | 109 | 124 | 53 |
| 16 | Hailakandi | 31 | 25 | 10 |
| 17 | Hojai | 44 | 17 | 18 |
| 18 | Jorhat | 111 | 86 | 36 |
| 19 | Karbi Aglong | 74 | 4 | 57 |
| 20 | West Karbi Anglong | 13 | 0 | 10 |
| 21 | Kamrup (M) | 435 | 115 | 316 |
| 22 | Kamrup | 53 | 20 | 23 |
| 23 | Kokrajhar | 72 | 3 | 30 |
| 24 | Lakhimpur | 127 | 100 | 62 |
| 25 | Majuli | 0 | 0 | 0 |
| 26 | Morigaon | 35 | 12 | 12 |
| 27 | Nagaon | 109 | 50 | 53 |
| 28 | Nalbari | 37 | 5 | 26 |
| 29 | Sivasagar | 104 | 130 | 35 |
| 30 | Sonitpur | 87 | 12 | 43 |
| 31 | South Salmara | 1 | 3 | 1 |
| 32 | Sribhumi | 35 | 24 | 14 |
| 33 | Tinsukia | 148 | 112 | 42 |
| 34 | Tamulpur | 12 | 14 | 14 |
| 35 | Udalguri | 28 | 11 | 14 |
| | Total | 2408 | 1212 | 1194 |